# WOMEN'S MANIFESTO
# on Equality and Social Justice

## সমতা আৰু সামাজিক ন্যায় সম্পৰ্কে
## মহিলাসকলৰ ঘোষণাপত্ৰ

***For Assam Legislative Assembly Election, 2016***

২০১৬ চনত অনুষ্ঠিত হ'বলগা অসম বিধান সভাৰ নিৰ্বাচনৰ বাবে

**Endorsed by 104 Organisations and Groups across Assam**

**সমগ্ৰ অসমৰ ১০৪ খন বিভিন্ন সংগঠন আৰু গোটৰ দ্বাৰা অনুমোদিত**

## Core Committee

- Barak Human Rights Protection Committee, Cachar
- NEST, Golaghat
- North East Network, Guwahati
- The ANT, Chirang
- Matribhumi Block Mahasangha, Dhubri
- Prof. Archana Sharma, Professor and former Head , Department of Economics, Gauhati University

*For further information, please contact,*


**North East Network**
J.N Borooah Lane, Jorpukhuri
Guwahati, Assam
PIN 781001, India
Ph: 0361-2631582, 9435017824
Email: assamnen@yahoo.co.uk
www.northeastnetwork.org

# NOTE

India's democratic principles, found both in the constitution as well as in spirit of its people, need to be valued and sustained for more than one reason. Firstly, the duty of a government is to instil confidence in its citizens and secondly, promote sustainable development.

The security of people to live without fear has become a primary concern in the country. Therefore, the responsibility of a government is to ensure that fear recedes through the use of alert players working within the system. It is therefore clear that citizens of Assam are looking for a stable, efficient and honest government when they go into voting a party of their preference in the forthcoming elections in 2016 in Assam.

Political parties have a manifesto with which they can convey issues of concern with conviction and resolve. Thus the party manifesto is the first conduit through which information will be relayed to ordinary citizens of the state. Thus, we urge that the Manifesto, which the political party formulates, should have issues that strike interest in the public, particularly women and women belonging to diverse categories like, rural, disabled, adivasi, ethnic minorities, tribal and other marginalised groups.

The issues that plague women in Assam are complex and are truly critical that calls for attention of all political parties. For instance, problems of trafficking, violence through witch hunting, sexual assault and rape are increasing in the state. India ranks 114 out of 142 countries in the global gender gap index (World Economic Forum, 2014). According to McKinsey Global Institute (MGI) survey (2015), Assam is one of the 5 states in the country with the lowest Female Empowerment Index, or Femdex.

Thus, this manifesto highlights few crucial issues which concerns women of the State. We, the civil society organisations, women and people of Assam solicit your cooperation in making your political party's manifesto gender sensitive for the betterment of women's well being in the state of Assam.

# WOMEN AND ECONOMY

Women's participation in the economic sphere has not been encouraging in Assam. Low work, or rather, the declining participation rate of women in the State is a matter of serious concern. Majority of the employed women are in the unorganized sector and/or are engaged in informal and casual types of job. Many of them are not paid the rightful wage. As per the latest issue brought out by the Central Statistics Office (CSO), the workforce participation rate of women in Assam is only 22.46 per cent, which is not only the lowest among the seven North Eastern States, but also one of the lowest across India. Unemployment rate among women in 2011-12 was 9.2 per cent in rural Assam and 1.7 per cent in urban Assam. Differential treatment has also been noticed in the salaries/ wages to women in comparison to male employees.

The cut in the social sector expenditure by the government has affected many women related programmes. Lack of social security for women and adequate skill building measures have deeply impacted the visibility of the women work force. The design of the government programmes needs deeper analysis. So far asset creation for women by the Government has not been initiated with the necessary political will. There is a huge change in the fiscal architecture of India with increased revenue allocation to the State from 32 % to 42%.

Despite women's significant contribution and involvement in agricultural work, the economic costs and benefits associated with their labour are poorly understood. While women perform well over 50% of all agricultural work in the country, less than 2% of women hold titles to land and have access to independent sources of agricultural credit. Women's role in agricultural activities in Assam is manual in nature and non-monetized.

**Key demands:**

- Adopt achievable, realistic and time bound gender sensitive employment/livelihood policy.
- Ensure implementation of the Minimum Wages Act.
- Social security initiatives like Rashtriya Swasthya Bima Yojana, National Pension Scheme, and Protection from Sexual harassment, etc should be brought under a single window like an unorganised sector social security board.
- The MGNREGA and NRLM should be linked at district level to increase involvement of women SHGs and federations in undertaking contracts for productive asset creation in the area, especially for group farming, plantation, agro-forestry and primary food processing activities.
- Monitoring the state budget is essential along with the promotion of gender audits.
- Representatives of state and local bodies, like Panchayats and Gram Sabhas, particularly women, should be given knowledge on analysing state budgets and resources that are allocated for essential services like health, education and PDS. This would include the ICDS programmes, SSA, National Health Mission and so on.
- Encourage management of PDS shops and other fair price shops by women's groups and SHGs.
- Skill training programmes for women should be aimed at managerial skills in services and pushing towards needs of rural economic security.
- Prioritise on agricultural growth, promote investment and ensure land rights of women in agriculture.
- Ensure livelihood to women who have been displaced from agricultural activities due to globalisation of agriculture, expansion of industrial areas and many other factors.
- Women should be involved in the crop field rotation committees at the village level. Awareness should be done for the women Panchayat leaders on agricultural policies, adequate wage rates and advocate for larger share of benefits for women in agriculture.

# WOMEN AND EDUCATION

In the field of education, women in Assam are in a better position compared to the all-India average. As per 2011 census, the literacy rate for Assam is 73.18 percent as against 74.04 percent in India. While male literacy rate is 78.81 percent (India - 82.14), female literacy stands at 67.27 percent (India- 65.46). An encouraging rise from 54.61 percent in 2001 to 67.27 in 2011 has been noticed in female literacy rate in Assam. Despite this positive trend, there lies a gender gap which is 11.6 percent. Although, the dropout rate of girl child is decreasing, reaching universalization of Elementary Education (UEE) is still standing as a challenge. The teacher rationalization is another challenge; the Pupil Teacher Ratio (PTR) in urban/ semi urban areas and in remote villages is totally imbalanced. The quality of learning outcomes is also major concern. The lack of confidence of the public in government schools and preference of private schools across the state, is an indicator in this regard. Ensuring quality education and implementation of regulation for private schools are major concerns for entertaining child rights. Child marriage is one of the causal factors behind the drop-out of girls from school. The education system of the state should ensure women's empowerment through educational initiatives rather than achieving only the 3 Rs (reading, writing, arithmetic).

The formulation of the National Education Policy through grassroots consultation is a welcome approach. It visualises a bottom up approach with about 2.4 lakh gram panchayat meetings, followed by discussion at each block, district, state, group of states and national level meetings -more than 2.6 lakh meetings in the year 2016. While we support this, we must ensure that the villages in Assam are aware of this all India initiative.

**Key demands:**

- Policy for women and girls' empowerment through education initiatives.
- Follow-up and regular monitoring of learning needs of neo-literate women & elderly girls.
- Mobile library for neo-literate women and girls.
- Rationalisation of teachers in schools based on local area specific needs.
- Sports teacher with 50% reservation for female in each school from elementary to secondary. (Sports is not a co-curricular activity, it was included as curricular activity by NCF 2005)
- There should be a teacher on inclusive education to deal with all types of needs of special children in each school.
- A block resource centre should be set up having a resource group comprising persons with special education on each type of disability and on gender. A minimum of seven (7) to eight (8) persons should be employed there to look after the training needs of teachers and parents of these special children.
- Community based monitoring system must be established to check child marriages. Capacities of teachers, Village Education Committee, School Management Committee, Anganwadi worker and parents must be strengthened on the negative consequences of early marriage and the importance of enforcing child protection laws.
- Political parties need to ensure that meetings on New Education Policy happen in a transparent and democratic way and see that all decentralised bodies are included in this consultation.

# WOMEN AND HEALTH

Assam is among the nine 'Low Performing States' in the context of States with very poor health indicators, in 2005. Not much is known about the State in terms of its trends in antenatal care, institutional deliveries, post-natal care, breast-feeding practices, immunization of the newborns and various other key indicators in the recent years. The reason behind it is the discontinuation of the District level Household Survey–IV (DLHS-IV) from the low performing states. This has led to absence of evaluating the impact of the National Rural Health Mission (NRHM) on the overall health outcomes which is it supposed to create.

The health and social indices like Maternal Mortality Ratio (MMR), Infant Mortality Rate (IMR), life expectancy, overall health infrastructure, and literacy rates in the state are not very promising. The Total Fertility Rate in the State is 2.4. The Infant Mortality Rate is 54 (SRS 2010-12) and Maternal Mortality Ratio is 301 (2012) which are higher than the national averages of 178. Assam's own Human Development Report of 2003 had cautioned: "People do not necessarily visit the facilities, even if they are available. While this may be due to a variety of reasons -- credibility loss, poor care and attention, amount of time taken, absence of medicines and sometimes absence of doctors -- has important policy implications."

Also, the health policies and programmes have neglected several issues that are of great public health significance, especially for women from marginalized communities, including addressing anaemia, access to safe abortion services and addressing emergency transport in remote areas.

**Key demands:**

- Antenatal care urgently needs to ensure monitoring of anaemia, and other risk factors like anaemia in past pregnancies, previous caesarean sections and obstructed labour. A regular schedule for community based antenatal care needs to be planned, publicly disseminated and implemented.
- Front line health care providers should be trained on the need for post-partum care and in skills to pick up and act in the event of post-partum complications.
- Anaemia interventions need to go beyond the health sector to involve addressing nutrition, food security, and education on gender issues from a rights perspective.
- Cashless services should be provided to pregnant women as promised under Janani Suraksha Yojana.
- Safe abortion services must be provided within the public sector at primary care level.
- There should be a focused programme for creating awareness of Breast Cancer and Osteoporosis and funding for organizing screening camps in public health facilities particularly in smaller towns and rural districts.
- Evaluation has shown that the Pradhan Mantri Gram Sadak Yojana (PMGSY) has a positive impact on reducing Maternal Mortality Rate (MMR).The MoHFW should coordinate with MoRD under the PMGSY scheme to focus on districts/blocks which have high MMR.

# WOMEN AND INSTITUTIONS

Accountability is a state obligation for the well being of communities in the state of Assam. The lack of it is linked to the utilisation in the State budgets, which needs analysis to understand the level of adequacy in resources allocated for state development initiatives and women supported programmes. Thus political parties must be conscious about adequate resource allocations to women's programmes and also on gender responsive budgeting (GRB), which is also being encouraged by the government's Ministry of Women and Child Development, (http://wcd.nic.in/).

**Key demands:**

- Universalise Gender Budgeting and promote Gender Budgeting at all levels with a clear target to cover all the Union Ministries and Departments by year end. It is particularly required that the Ministries of Drinking Water and Sanitation, Urban Development, North East Region (DONER) and Tourism be brought under the ambit of the Gender Budget Statement (GBS).
- NEC needs to focus its mandate and determine root causes hindering the body from regional planning initiatives. Earmark potential funds for regional development, knowledge transfer between states, piloting and scaling initiatives that work.
- Gender scrutiny and gender audits of all infrastructure projects should be made compulsory. This is particularly essential for large scale infrastructure projects being undertaken in North East region, which is seeing huge investments but without any analysis of whether they would actually promote the economic growth and empowerment of women.
- Under Jawaharlal Nehru National Urban Renewal Mission (JnNURM), adequate allocations should be made for creating women friendly amenities like proper water and sanitation (including public sanitation), proper lighting of public spaces, community spaces- allotted worksheds and market space, affordable housing, and other safe working facilities.
- Strengthen and increase resources and powers for functioning of Assam State Commission for Women and Assam Human Rights Commission.
- Allocate resources for monitoring the impact of women specific programmes. Monitoring committee should include civil society organisations, target beneficiaries, experts and government officials.
- Ensure mandatory reservation of women in all Public Committees from grassroots to state level.
- Revision of Assam Relief Manual on the lines of international standards set out in 'UN Guiding principles on Internally Displaced Persons' in planning and implementing rehabilitation packages and programmes.

# WOMEN'S REPRESENTATION AND PARTICIPATION

The state of Assam has 49% women population as per the census data of 2011. Women's representation in the various governance institutions, however, has never reflected proportionate participation. Representation of women in the political scenario is very low in Assam. Of the State's 14 MPs, only two are women. There are only 14 women MLAs among its 126 members. The Women's Reservation Bill is yet to become an Act in India. Even though the political parties have echoed the issue of not having enough female candidates to fight elections, they too are responsible for not nurturing enough women for political competence, which shows an inherent bias against women and a preference towards male candidates. In the 2011 elections, only 8% women candidates contested the Assembly election. Assam has 2 Sixth Schedule governed districts (Karbi Anglong and Dima Haso) and 4 special sixth schedule districts (Chirang, Baksa, Udalguri and Kokrajhar). These local governance institutions have extremely poor representation of women in the governance process.

Women do not present a fair picture in other public services too. Women police personnel account for less than 1% of the force in Assam, which is much below the low national average of 6%. A study by a women's organisation, reveals a bleak representation of women in public bodies based in the grassroots governance structure of Assam (NEN 2014). Some of the examples are found in public committees formed under various government schemes, Social audit committee; Social Justice Committee; Village Health, Sanitation and Nutrition Committee; School Management Committee and others.

**Key demands:**

- All political parties must project atleast 1/3 women candidates in the assembly elections in accordance to the Women's Reservation Bill.
- Necessary constitutional amendments must be incorporated for 50% seats mandatorily reserved for women candidates in the Autonomous Councils
- Although PRIs have 50% seats reserved for women, political parties refuse to select a female candidate in some constituencies on the pretext that the act has not come about yet. Political parties should respect this inclusion regardless.
- Women representatives in political bodies, both rural and urban must be trained in efficient running of schemes and public services like health, education, PDS and so on. For this, education on state budget and fund expenditures are crucial;
- Given the low representation of women in police in Assam, special drive to recruit women should be held. Reservation of 33% women in the police should be made mandate.
- Appropriate reservation for women in the local governance structure and public committees.
- Government should involve internally displaced women in planning, designing, and monitoring of relief programmes as peace and reconciliation activities are central to their well being.

# WOMEN AND SAFETY

Several new laws have been adopted to ensure safety of women in the recent years by the government in our country. But violence against women still exists in homes, workplaces and public places. Crimes against women in Assam jumped to 17,449 in 2013 as against 13,544 in 2012 according to National Crime Records Bureau. The National Family Health Survey of India (2005-06) revealed that 37% of married women have experienced spousal, physical or sexual violence. It mentions that spousal violence in Assam is above the national average.

Places of work for women, both rural and urban are not necessarily safe for women. One of the visible examples is that of harassment in the workplace, harm done to women labelled as witches and women trafficked for monetary gains through the state of Assam to other states. All this shows that there is an absence of gender sensitive mechanisms to address these issues. Political parties have to fill up these gaps by seeing to the implementation of pro-women schemes and legislations that will keep women in safer spaces in society.

Women are not safe on the streets and public places in the state of Assam. A survey revealed that 72.5 % women face sexual harassment/violence in Guwahati city, (NEN 2014). This could be attributed to both orthodox mindset of people, and city's infrastructural deficit. There are very few spaces in towns and cities to keep the youth occupied in constructive pursuits like sports, performing arts, digital libraries etc. Thus, the youth remain idle and indulge in various unwelcome activities. Political parties need to rethink how best to sustain peace in society so that governance becomes easier for them in the long term.

**Key demands:**

- Establish a functional helpline for women in distress.
- Appoint independent cadre of fulltime Protection Officers as per the Protection of Women from Domestic Violence Act, 2005 (PWDVA).
- Establish Internal and Local Complaints Committee as per the Sexual Harassment of women at Work place Act, 2013.
- Allocate budget and frame State rules on the 'The Assam Witch-hunting Bill (Prohibition, Prevention and Protection), 2015'.
- Allocate sufficient resources for the immediate enforcement of support services for women in a time-bound manner.
- Compensation and restitution for victims of violence through state funded schemes must be made easily accessible and without procedural delays.
- Raise the issue of human rights violations committed by armed personnel and advocate for repeal of AFSPA.
- Set up small units for neighbourhood sports complexes along with spaces for performing arts and entertainment with well defined management systems to handle them locally.
- Encourage young minds through digitalised programmes and the social media ;
- Encourage social interaction in schools, colleges on programmes of state and national interest that attract modern thinking with humanitarian values.

# List of endorsements

- 1 no. Makelikanda Bua Kota Somobai Samiti, Udalguri
- Agragami Block Federation, Mayang, Morigaon
- Agragami Block Mahasangha, Khairabari Block, Udalguri
- AIDWA, Kokrajhar,
- Ananya SHG, Kalaigaon block, Udalguri
- Arunachali Agrasan Pratirudh Samiti, Biswanath Chariali, Sonitpur
- Asha Darshan, Baksa
- Atma Mahila Krishak Group, Sorupathar, Sivsagar
- Barak Human Rights Protection Committee, Cachar
- Basugaon Nagar Mahila Samiti, Chirang
- Bhabani SHG, Morongi block, Golaghat
- Bharalisuk Mahila Samiti, Dhemaji
- Bharalisuk Yuva Sangha, Dhemaji
- Birangana Block Mahasangha, Brahampur, Nagaon
- Biswanath Chariali Kendriya Mahila Samiti, Sonitpur
- Bokial Anchalik Mahila Samiti, Morongi block, Golaghat
- CADAT, Biswanath Chariali, Sonitpur
- Chandraprava Saikiani Khanda Mahasangha, Matia Block, Goalpara
- CROWN, Biswanath Chariali, Sonitpur
- Dalgaon Janapriya Ujjal Block Mahasangha, Darrang
- Deosri Jagruti Women's Federation, Chirang
- Devi Block Mahasangha Devitola block, Dhubri
- Dharmajyoti Block Mahasangha Gauripur Block, Dhubri
- Dhemaji Zila Mahila Samiti, Dhemaji
- Dipika Mahila Samiti, Nizdola, Udalguri
- Dipila Gramya Nari Adalat, Sipajhar, Darrang
- Doigrung Pragatishil Mahila Santha, Morongi block, Golaghat
- Dr. Madhurima Goswami, Chandraprabha Saikiani centre for women 's studies, Tezpur university
- Dr.Shabina Ahmed, Founder & Director, Assam Autism Foundation
- Duni Gramya Nari Adalat, Sipajhar, Darrang
- Gadapani Joymoti SHG, Morongi block, Golaghat
- Griholakhsmi federation, Tamulpur, Baksa
- Hatigarh Anchalik Suraksha Mahila Samiti, Dhemaji
- Jagriti SHG, Morongi block, Golaghat
- Jambili, Karbi Anglong District
- Janakalyan Block Federation, Bhurbandha Block, Morigaon
- • Janamjyoti Khanda Mahasangha, Kushdhuwa Block, Goalpara
- Janshirani Lakhmibai Khanda Mahasangha, Lakhipur Block, Goalpara
- Jeutee SHG, Kalaigaon block, Udalguri
- Jonaki Bat, A Progressive Women Magazine, Assam.
- Jonaki Mahila SHG, Morongi block, Golaghat
- Jyotirupa Block Federation, Borchola Block, Sonitpur
- Kalaigaon Pragatisil Mahila Mahasangha, Darrang
- Kamarpara SHG, Kalaigaon block, Udalguri
- Kanaklata Khanda Mahasangha, Balijana Block, Goalpara
- Karbi Human Rights Watch, Karbi-Anglong
- Kiran Jyoti Block Federation, Dhekiajuli Block, Sonitpur
- Kokrajhar Chirang Zila Sanmilita Mahila Samiti, Kokrajhar
- Lachit Yuva Sangha, Dhemaji
- Mahila Santi Sena, Tamulpur, Baksa
- Manikanchan Block federation, Balipara Block, Sonitpur
- Matri Block Mahasangha, Batadraba Block, Nagaon
- Matribhumi Block Mahasangha, Mahamaya Block, Dhubri
- Minakshi Bujarbaruah, Researcher (Gender/Sexuality), Xukia, Guwahati
- Mohila Ekota Kendra, Chirang
- Mongolian Jagruti Women's Federation, Chirang
- Monikanchan Block Mahasangha, Kathiatali, Nagaon

# List of endorsements

- Morigaon Mahila Mehfil, Morigaon
- Mukul Borah, World Vision India, Guwahati
- Mulagabhoru Khanda Mahasangha, Kharmuza block, Goalpara
- Mulaghavaru Khanda Mahasangha Bilasipara Block, Dhubri
- Murkongselek Block Mahasangha, Dhemaji
- Nari Adikhar surakha samiti, Gossaigaon, Kokrajhar
- Nari Mukti Senani Axom, Lakhimpur
- NEST, Golaghat
- North East Network, Guwahati
- Pachim Kamala Kuwari block Mahasangha, Darrang
- Panchayat Block Federation, Kapili Block, Morigaon
- Paresh Malakar, President, Anwesha
- Patabari Jagruti Women's Federation, Chirang
- Peace Team, Karbi Anglong district
- Ponka Anchalik Mahila Samiti, Morongi block, Golaghat
- Prathaman NGO, Biswanath Chariali, Sonitpur
- Perona SHG, Morongi block, Golaghat
- Prof Daisy Bora, Dibrugarh University
- Public Service in Rural Area (PSRA), Biswanath Chariali, Sonitpur
- Pub-Mangaldai Sanjiwani Block Mahasangha, Darrang
- Rengoni Mahila Samiti, Kalaigaon block, Udalguri
- Rowmari Jagruti Women's Federation, Chirang
- Rupahi Block Mahasangha, Rupshi Block, Dhubri
- Ruplakhi Puberun SHG, Kalaigaon block, Udalguri
- Sadou Asom Pragatisil Nari Santha, Assam.
- Sampriti Self Help Group, Sorupathar, Sivsagar
- Sanjoy Hazarika, Managing Trustee, C-nes (Centre for North East Studies and Policy Research)
- Saptarathi Block Mahasangha, Raha Block, Nagaon
- Satra, Sipajhar, Darrang
- Scorpion, Guwahati
- SEECO (Social Economic Environment and Cultural Organisation), Biswanath Chariali, Sonitpur
- Sidli Anchalik Kalyanmoyee Mahila Samiti, Chirang
- Sipajhar Lekhika Samaroh Samiti, Darrang
- Sipajhar Pragati Block Mahasangha, Darrang
- Sishu Matri Mangal Poramorshodan Kendra, Lakhimpur
- Sisibargaon Block Mahasangha, Dhemaji
- Sristi Self Help Group, Na Jabaka, Sivsagar
- Surobhi MahilaNamoti Dol, Bordoulguri, Darrang
- Surujmukhi SHG, Morongi block, Golaghat
- TAGS, Kumarikata, Baksa
- The ANT, Chirang
- Titaguri Anchalik Mahila Samiti, Kokrajhar
- Titaguri Maspara Jeuti Sangha, Kokrajhar
- Tribeni Sangam Block Mahasangha,Barapujia Block, Nagaon
- Turai Gramya Nari Adalat, Sipajhar, Darrang
- Udayan Block Federation, Naduar Block, Sonitpur
- Uttar Chariali Mahila Samiti, Sonitpur

# টোকা

জনগণৰ অন্তৰত বিৰাজমান আৰু সংবিধানত উল্লেখ থকা ভাৰতৰ গণতান্ত্ৰিক নীতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা আৰু তাক বাহাল ৰখাটো একাধিক কাৰণত প্ৰয়োজনীয়। ইয়াৰ প্ৰথমটো হৈছে নাগৰিকসকলৰ মনত বিশ্বাস জগাই তোলাৰ বাবে থকা চৰকাৰৰ কৰ্তব্য বাবে আৰু দ্বিতীয়টো হৈছে অবিৰত বিকাশৰ স্বাৰ্থত।

নিৰ্ভয়ে বসবাস কৰিব পৰাকৈ জনসাধাৰণক সুৰক্ষা প্ৰদানৰ বিষয়টো দেশৰ এক প্ৰাথমিক দায়িত্ব হৈ পৰিছে। সেয়ে, চৰকাৰ এখনৰ কৰ্তব্য হৈছে বিধিগত সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ জৰিয়তে শংকা হ্ৰাস কৰাৰ বাবে জনসাধাৰণক নিশ্চিতি প্ৰদান কৰা। সেয়ে, অসমৰ জনসাধাৰণেও আগন্তুক ২০১৬ চনৰ বিধান সভাৰ নিৰ্বাচনত ভোটদান কৰাৰ সময়ত সুস্থিৰ, কৰ্মদক্ষ আৰু সৎ চৰকাৰ এখন গঠিত হোৱাটোৱেই যে বিচাৰিব সেয়া নিশ্চিত।

ৰাজনৈতিক দলসমূহৰ একোখন ঘোষিত পৰিকল্পনা পত্ৰ (manifesto) থাকে আৰু তাত তেওঁলোকে গুৰুত্বপূৰ্ণ বিষয়সমূহ উপস্থাপন কৰাৰ লগতে ভুল-ত্ৰুটিবোৰ স্বীকাৰ কৰি সেইবোৰ শুধৰোৱাৰ উপায়সমূহ সন্নিবিষ্ট কৰে। অৰ্থাৎ দলীয় ঘোষণা পত্ৰ (Party manifesto)ই হৈছে ৰাজ্যৰ সাধাৰণ নাগৰিকসকলক সূচনা প্ৰদান কৰাৰ প্ৰথম উপায়। সেয়েহে ৰাজনৈতিক দলৰ ঘোষণা পত্ৰত জনগণৰ, বিশেষকৈ মহিলা তথা গ্ৰাম্য, শাৰীৰিক বা মানসিক ভাৱে অক্ষম, আদিবাসী, গোষ্ঠীয় সংখ্যালঘু, জনজাতীয় আৰু অন্যান্য উপান্ত গোটসমূহকে ধৰি বিভিন্ন শ্ৰেণীৰ মহিলাসকলৰ স্বাৰ্থজড়িত বিষয়সমূহ অন্তৰ্ভুক্ত কৰাৰ বাবে আমি আহ্বান জনালো।

অসমৰ মহিলাসকললৈ দুৰ্যোগ নমাই অনা বিষয়সমূহ জটিল আৰু সঁচাকৈয়ে সংকটপূৰ্ণ আৰু সেয়ে সকলোবোৰ ৰাজনৈতিক দলেই এই বিষয়সমূহৰ প্ৰতি মনোযোগ দিয়া উচিত। উদাহৰণ স্বৰূপে, নাৰী সৰবৰাহ, ডাইনী হত্যা, যৌন নিৰ্যাতন আৰু ধৰ্ষণ আদিৰ ঘটনা ৰাজ্যখনত বৃদ্ধি পাইছে। ২০১৪ চনত প্ৰকাশিত বিশ্ব লিংগ বিভিন্ন ব্যৱধান সূচক (Global Gender Index)ত ভাৰতৰ সূচক হৈছে ১৪১ ভিতৰত ১৪০ (World Economic Forum, 2014)। ২০১৫ চনত প্ৰকাশিত মেকিন্‌জি গ্লোবেল ইনষ্টিটিউট (MGI) ৰ সমীক্ষাত প্ৰকাশ পোৱা মতে, মহিলা সবলীকৰণৰ সৰ্বনিম্ন সূচক সম্বলিত দেশৰ পাঁচখন ৰাজ্যৰ ভিতৰত অসমো এখন।

এই ঘোষণা পত্ৰত ৰাজ্যৰ মহিলাসকলৰ সৈতে জড়িত কিছুমান অতি গুৰুত্বপূৰ্ণ বিষয়ত আলোকপাত কৰা হৈছে। আপোনাৰ দলৰ ঘোষণা পত্ৰখন অসমৰ মহিলাসকলৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে লিংগ সংবেদনশীল হোৱাকৈ প্ৰস্তুত কৰাৰ বাবে আমি বেচৰকাৰী সামাজিক সংস্থা, মহিলাসকল আৰু অসমৰ জনগণে আপোনাৰ সহযোগিতা কামনা কৰিলো।

# মহিলা আৰু অৰ্থনীতি

অৰ্থনৈতিক ক্ষেত্ৰত মহিলাৰ অংশগ্ৰহণৰ দিশটো অসমত মুঠেও উৎসাহজনক নহয়। কৰ্মৰতা মহিলাৰ সংখ্যা নিচেই কম হোৱা আৰু কৰ্মক্ষেত্ৰত মহিলাৰ ক্ৰমহ্ৰাসমান হাৰৰ বিষয়টো গভীৰ উদ্বেগৰ বিষয়। কৰ্মৰতা মহিলাসকলৰ বেছিভাগেই অসংগঠিত ক্ষেত্ৰত নিয়োজিত অথবা তেওঁলোক নিচেই সাধাৰণ বা অস্থায়ী কামহে কৰে। তেওঁলোকৰ বহুতেই উচিত মজুৰী নাপায়। Central Statistics Office ৰ শেহতীয়া প্ৰতিবেদন অনুসৰি, কৰ্মক্ষেত্ৰত অসমৰ মাত্ৰ ২২.৪৬ শতাংশ মহিলাহে নিয়োজিত। ই কেৱল উত্তৰ-পূৰ্বাঞ্চলৰে সৰ্বনিম্ন হাৰ তেনে নহয়, সমগ্ৰ ভাৰতৰে সৰ্বনিম্ন হাৰৰ ৰাজ্যকেইখনৰ ভিতৰতো অন্যতম। ২০১১-১২ চনত অসমৰ গ্ৰামাঞ্চলত মহিলাৰ কৰ্মহীনতাৰ হাৰ ৯.২ শতাংশ আৰু নগাৰাঞ্চলত ১.৭ শতাংশ। দৰমহা অথবা মজুৰীৰ ক্ষেত্ৰতো পুৰুষ কৰ্মচাৰীৰ তুলনাত মহিলাসকল বৈষম্যৰ সন্মুখীন হোৱা দেখা যায়।

চৰকাৰে সামাজিক খণ্ডৰ ব্যয় হ্ৰাস কৰাৰ ফলত মহিলাসকলৰ সৈতে জড়িত ভালেমান আঁচনি প্ৰভাৱান্বিত হৈছে। মহিলাৰ সামাজিক নিৰাপত্তা আৰু দক্ষতা বৃদ্ধিৰ সঠিক ব্যৱস্থাৰ অভাৱেও মহিলা কৰ্মশক্তিৰ দৃশ্যমানতাৰ ওপৰত গভীৰভাৱে প্ৰভাৱ পেলাইছে। চৰকাৰী আঁচনিসমূহৰ গভীৰ বিশ্লেষণৰো প্ৰয়োজন আছে। এই পৰ্যন্ত ৰাজনৈতিক সদিচ্ছাৰে চৰকাৰে মহিলাসকলৰ বাবে সম্পদ সৃষ্টিৰ বিষয়টো প্ৰৱৰ্তন কৰা নাই। ১৪ তম অৰ্থনীতি আয়োগৰ পৰামৰ্শ অনুসৰি অৰ্থনৈতিক ব্যয়ৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যিক ব্যয়ৰ অংশ ৩২% ৰ পৰা ৪২% লৈ বৃদ্ধি কৰি এক গুৰুত্বপূৰ্ণ পদক্ষেপ হাতত লৈছে।

কৃষি কাৰ্য্যত মহিলাসকলৰ লক্ষণীয় অৱদান থকা সত্বেও তেওঁলোকৰ শ্ৰমৰ সৈতে জড়িত আৰ্থিক ব্যয় আৰু লাভৰ সঠিক মূল্যায়ণ নহয়। দেশৰ সমস্ত কৃষিকাৰ্যৰ ৫০ শতাংশতকৈও বেছি কাম মহিলাসকলে সম্পন্ন কৰে যদিও ২ শতাংশতকৈও কমসংখ্যক মহিলাইহে ভূমিৰ স্বত্ব লাভ কৰে বা কৃষিকাৰ্যৰ পৰা সঞ্চিত লাভৰ মুক্ত লেনদেন কৰিব পাৰে। কৃষি কাৰ্যত অসমৰ মহিলাসকলৰ ভূমিকা দৈহিক আৰু আৰু সেয়া ধনবিহীন।

**প্ৰধান দাবীসমূহ ঃ**

- সম্ভৱপৰ, বাস্তৱিক আৰু সময় নিৰ্দ্ধাৰিত লিংগ সংবেদনশীল নিয়োগ / জীৱিকা অৰ্জন নীতি গ্ৰহণ কৰক।
- নিম্নতম মজুৰী আইন কাৰ্যকৰী কৰাটো নিশ্চিত কৰক।
- ৰাষ্ট্ৰীয় স্বাস্থ্য বীমা যোজনা, ৰাষ্ট্ৰীয় পেঞ্চন আঁচনি আৰু যৌন আতিশয্যৰ পৰা সুৰক্ষা আইন আদি সামাজিক নিৰাপত্তাৰ উদ্দেশ্যে হাতত লোৱা আঁচনিসমূহ অসংগঠিত ক্ষেত্ৰৰ কোনো সামাজিক নিৰাপত্তা বোৰ্ডৰ অধীনত সামৰি লোৱা উচিত।
- নিৰ্দিষ্ট অঞ্চলত উৎপাদনমূলক সম্পদ সৃষ্টিৰ ক্ষেত্ৰত বিশেষকৈ সমূহীয়া কৃষি, বৃক্ষৰোপন, কৃষি বনানীকৰণ আৰু প্ৰাথমিক খাদ্য সংসাধন (Food Processing) আদি বিষয়ত মহিলা আত্মসহায়ক গোট আৰু সংঘসমূহক অধিকভাৱে জড়িত কৰাৰ উদ্দেশ্যে নেচনেল ৰুৰেল এমপ্লইমেন্ট গেৰান্টি এক্ট (চমুকৈ এমএনৰেগা) আৰু নেচনেল ৰুৰেল লাইভলিহুদ মিশ্বন (চমুকৈ এ আৰ এল এম)ৰ মাজত জিলা পৰ্যায়ত যোগসূত্ৰ থাকিব লাগে।
- বিভিন্ন চৰকাৰী কাৰ্যসূচী আৰু আঁচনিৰ বাবে আৱন্টিত পুঁজিৰ সঠিক নিৰীক্ষণৰ লগতে লিংগভিত্তিক অ'ডিটৰ প্ৰয়োজন।
- ৰাজ্যিক আৰু সৰ্বসাধাৰণ পৰ্যায়ত অৱস্থিত সংস্থাসমূহৰ যেনে পঞ্চায়ত বা গাঁওসভা আদিৰ প্ৰতিনিধি সকলক (বিশেষকৈ মহিলা) অত্যাৱশ্যকীয় সেৱাৰ বাবে উপলব্ধ সা-সুবিধা সম্পৰ্কত অৱগত কৰাৰ প্ৰয়োজন। এনেধৰণৰ সেৱাই ৰাজহুৱা বিতৰন ব্যৱস্থা, শিক্ষা, স্বাস্থ্য, আই চি. ডি. এচ. ইত্যাদিক সামৰি লয়।
- ৰাজহুৱা বিতৰণ ব্যৱস্থা অধীনৰ আৰু অন্যান্য সুলভ মূল্যৰ দোকানসমূহ মহিলাৰ গোট বা আত্মসহায়ক গোটৰ দ্বাৰা পৰিচালিত কৰাত উৎসাহ যোগাওক।
- মহিলাৰ বাবে আয়োজিত দক্ষতা বিকাশৰ কাৰ্যসূচী বাস্তৱিক আৰু গ্ৰাম্য অৰ্থনৈতিক সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তুত কৰা হ'ব লাগিব।
- কৃষিক্ষেত্ৰত সমৃদ্ধিৰ বাবে বৰ্ধিত হাৰত পুঁজি আৱন্টন আৰু কৃষিভূমিত মহিলাৰ স্বত্ব নিশ্চিত কৰাত অধিক গুৰুত্ব দিব লাগিব।
- কৃষিৰ বিশ্বায়ণ, ঔদ্যোগিক অঞ্চলৰ প্ৰসাৰ আৰু অইন বিভিন্ন কাৰণত কৃষিকাৰ্যৰ পৰা বিতাড়িত মহিলাসকলৰ বাবে জীৱিকা অৰ্জন নিশ্চিত কৰক।
- গাওঁ পৰ্যায়ৰ শস্যাৱৰ্তন (একে মাটিতে বিভিন্ন প্ৰকাৰৰ শইচৰ খেতি) সমিতিত মহিলাকো অন্তৰ্ভুক্ত কৰা উচিত। কৃষি সম্পৰ্কীয় নীতি, মজুৰীৰ উচিত হাৰ আদিৰ বিষয়ে পঞ্চায়তৰ মহিলা নেত্ৰীসকলক সজাগ কৰি তুলিব লাগে আৰু কৃষি কাৰ্যৰ জৰিয়তে মহিলাসকল অধিক লাভাৱান্বিত হোৱাৰ পোষকতা কৰক।

# মহিলা আৰু শিক্ষা

শিক্ষাৰ ক্ষেত্ৰত সমগ্ৰ ভাৰতৰ গড় হিচাবৰ তুলনাত অসমৰ মহিলাসকলৰ স্থান ওপৰত। ২০০১ চনৰ লোকপিয়ল অনুসৰি, ভাৰতৰ ৬৪.৮ শতাংশৰ বিপৰীতে অসমত শিক্ষিতৰ হাৰ ৬৩.৩। আনহাতে, শিক্ষিত পুৰুষৰ হাৰ ৭১.৩ শতাংশ হোৱাৰ বিপৰীতে (ভাৰতত এই হাৰ ৭৫.৩ শতাংশ) শিক্ষিতা মহিলাৰ হাৰ ৫৪.৬ শতাংশ। ২০০১ চনৰ লোকপিয়ল অনুসৰি শিক্ষিতা মহিলাৰ হাৰ ৫৪.৬ শতাংশৰ পৰা ২০১১ চনত ৬৭.২৭ শতাংশলৈ বৃদ্ধি হোৱাটো সন্তোষজনক। এনে ইতিবাচক দিশ সত্বেও কিন্তু শিক্ষিতৰ হাৰৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ মাজত ১১.৬ শতাংশৰ এক বৈষম্য পৰিলক্ষিত হয়। কন্যা শিশুৱে বিদ্যালয় এৰাৰ হাৰ কমিছে যদিও সৰ্বাত্মিক প্ৰাথমিক শিক্ষা (Universalization of Elementary Education) এতিয়াও এক প্ৰত্যাহ্বান হৈয়েই আছে। এই ক্ষেত্ৰত আন এক প্ৰত্যাহ্বান হৈছে শিক্ষকৰ সংখ্যা কম হোৱাটো। নগৰ, নগৰৰ উপকণ্ঠ অঞ্চল বা ভিতৰুৱা গাঁওসমূহত শিক্ষক-ছাত্ৰৰ অনুপাত সম্পূৰ্ণৰূপে ভাৰসাম্যবিহীন। শিক্ষাৰ গুণগত মানৰ বিষয়টোও আন এক গুৰুত্বপূৰ্ণ বিষয়। চৰকাৰী বিদ্যালয়ৰ প্ৰতি জনসাধাৰণৰ আস্থাৰ অভাৱ আৰু সমগ্ৰ ৰাজ্যতে ব্যক্তিগত বিদ্যালয়ৰ প্ৰাধান্যই ইয়াকেই সূচায়। ব্যক্তিগত বিদ্যালয়ত মানবিশিষ্ট শিক্ষা আৰু বিধি ব্যৱস্থাৰ কাৰ্যকৰীকৰণ শিশুৰ অধিকাৰৰ বাবে অতি প্ৰয়োজনীয় বিষয়। ছোৱালীয়ে স্কুল এৰাৰ বিভিন্ন কাৰণৰ ভিতৰত বাল্য বিবাহো এটা। পঢ়া, লিখা আৰু গণনা কৰা - এই তিনিটা বিষয়ত সফল্যতা লাভৰ জৰিয়তেহে ৰাজ্যৰ শিক্ষা ব্যৱস্থাই মহিলা সবলীকৰণৰ বিষয়টো নিশ্চিত কৰিব লাগিব।

সৰ্বসাধাৰণ পৰ্যায়ত বিভিন্ন আলোচনাৰ মাধ্যমেৰে প্ৰস্তুত হৈ থকা ৰাষ্ট্ৰীয় শিক্ষা পৰিকল্পনা এক প্ৰশংসনীয় পদক্ষেপ। প্ৰায় ২.৪ লাখ পঞ্চায়ত পৰ্যায়ৰ সভাৰ পাছত ব্লক, জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰায় ২.৬ লাখ আলোচনা বা সভাৰ জৰিয়তে মতামত সংগ্ৰহ কৰি ২০১৬ চনত উক্ত পৰিকল্পনা কাৰ্যকৰী কৰাৰ লক্ষ আগত ৰখা হৈছে। আজি উক্ত ব্যৱস্থাক সমৰ্থন কৰোঁ আৰু অসমৰ গাঁও-চহৰ সমূহ এই বিষয়ত অৱগত হোৱাটো বিচাৰো।

## প্ৰধান দাবীসমূহ ঃ

- শিক্ষাৰ জৰিয়তে মহিলা আৰু ছোৱালীৰ সবলীকৰণৰ নীতি প্ৰণয়ন কৰিব লাগে ।
- নব্য শিক্ষিত বা নতুনকৈ শিক্ষা লাভ কৰা মহিলা আৰু যুৱতীসকলৰ শৈক্ষিক প্ৰয়োজনৰ সম্পৰ্কে বুজ ল'ব লাগে আৰু তেওঁলোকক নিয়মীয়াকৈ নিৰীক্ষণ কৰিব লাগে।
- নব্য শিক্ষিত মহিলা আৰু যুৱতীসকলৰ বাবে ভ্ৰাম্যমান পুথিভঁৰালৰ ব্যৱস্থা কৰক।
- সংশ্লিষ্ট অঞ্চলৰ প্ৰয়োজন সাপেক্ষে বিদ্যালয়ত শিক্ষকৰ অনুপাত নিশ্চিত কৰক।
- মহিলাৰ বাবে ৫০ শতাংশ সংৰক্ষণেৰে প্ৰাথমিকৰ পৰা মাধ্যমিক বিদ্যালয় পৰ্যন্ত ক্ৰীড়া শিক্ষকৰ ব্যৱস্থা কৰক (খেল-ধেমালিক এতিয়া আৰু সহ-পাঠ্যক্ৰম বুলি ধৰা নহয়, ২০০৫ চনত NCF এ ইয়াক মূল পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিছে।)
- প্ৰতিখন বিদ্যালয়তে বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ বাবে সকলো বিষয় শিকাব পৰা একোজন শিক্ষক থাকিব লাগিব।
- বিভিন্ন ধৰণৰ শাৰীৰিক বা মানসিক অক্ষমতা তথা লিংগ বিষয়ক বিশেষভাৱে সামৰি লৈ প্ৰতি ব্লকতে একোটাকৈ কেন্দ্ৰ স্থাপন কৰিব লাগে। তেনে কেন্দ্ৰত বিশেষভাৱে সক্ষম শিশুসকলৰ শিক্ষক আৰু পিতৃ-মাতৃৰ প্ৰশিক্ষণৰ প্ৰয়োজনীয়তাৰ দিশটো চোৱা-চিতা কৰাৰ বাবে কমেও ৭-৮ জন লোকক নিযুক্তি দিব লাগে।
- বাল্য বিবাহ ৰোধ কৰাৰ বাবে অঞ্চলভিত্তিক নিৰীক্ষণৰ ব্যৱস্থা কৰিব লাগে। শিক্ষক, গ্ৰাম্য শিক্ষা সমিতি, বিদ্যালয় ব্যৱস্থাপনা সমিতি, অংগনবাড়ী কৰ্মী আৰু পিতৃ-মাতৃসকলক কম বয়সতে বিয়া হোৱাৰ নেতিবাচক দিশবোৰৰ লগতে শিশু সুৰক্ষা সম্পৰ্কীয় আইনৰ কাৰ্যকৰীকৰণৰ বিষয়ে সজাগ কৰি তুলিব লাগে।
- ৰাজনৈতিক দলসমূহ ৰাষ্ট্ৰীয় শিক্ষা পৰিকল্পনাৰ আলোচনা সমূহ গণতান্ত্ৰিক আৰু স্বচ্ছ হোৱাৰ লগতে সকলো তৃণমূল পৰ্যায়ৰ প্ৰতিনিধিত্ব নিশ্চিত কৰিব লাগিব।

# মহিলা আৰু স্বাস্থ্য

২০০৫ চনত প্ৰকাশ পোৱা এক সমীক্ষা অনুসৰি, অতি নিম্ন স্বাস্থ্যসূচক 'কম সাফল্য প্ৰদৰ্শন কৰা' ৯ খন ৰাজ্যৰ ভিতৰত অসমো এখন। বিগত কিছু বছৰ ধৰি ৰাজ্যত গৰ্ভাৱস্থাৰ যত্ন, চিকিৎসালয়ত হোৱা প্ৰসৱ, প্ৰসৱৰ পাছত যতন, মাতৃদুগ্ধ পান কৰোৱা, নৱজাতকৰ বাবে থকা প্ৰতিষেধক ব্যৱস্থা আৰু আন ভালেমান গুৰুত্বপূৰ্ণ বিষয় সম্পৰ্কে বিশেষ জনা নাযায়। কম পাৰদৰ্শিতা দেখুওৱা ৰাজ্যসমূহত ঘৰে ঘৰে গৈ চলোৱা সমীক্ষা (District level Househhold Survey - IV চমুকৈ DLHS-IV) বন্ধ কৰাটোৱেই হৈছে ইয়াৰ কাৰণ। ইয়াৰ ফলত স্বাস্থ্য বিষয়ত ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানে সৃষ্টি কৰিব পৰা সামগ্ৰিক ফলাফল আৰু ইয়াৰ প্ৰভাৱৰ সঠিক মূল্যায়ণৰ অভাৱ ঘটিছে।

প্ৰসৱজনিত মৃত্যুৰ অনুপাত (Maternal Mortality Ratio), নৱজাতকৰ মৃত্যুৰ হাৰ (Infant Mortality Rate), প্ৰত্যাশিত আয়ুস কাল, স্বাস্থ্য সম্পৰ্কীয় সামগ্ৰিক আন্তৰ্গাথনি, স্বাক্ষৰতাৰ হাৰ আদি স্বাস্থ্য আৰু সামাজিক দিশৰ সৈতে জড়িত বিষয়সমূহ আমাৰ ৰাজ্যখনত বৰ সম্ভাৱনাপূৰ্ণ নহয়। ৰাজ্যত উৰ্বৰতাৰ মুঠ হাৰ হৈছে ২.৪, নৱজাতকৰ মৃত্যুৰ হাৰ ৫৪ (SRS 2010-12 অনুসৰি) আৰু প্ৰসৱজনিত মৃত্যুৰ অনুপাতৰ হাৰ ৩০১ (২০১২ চনত প্ৰকাশ পোৱা মতে), যিটো সমগ্ৰ দেশৰ ৰাষ্ট্ৰীয় গড় ১৭৮-তকৈ অধিক। ২০০৩ চনত অসমে নিজাকৈ প্ৰস্তুত কৰা মানৱ বিকাশ প্ৰতিবেদনত এই বুলি সতৰ্ক কৰি দিয়া হৈছে, "সা-সুবিধা থাকিলেও জনসাধাৰণে তেনে সুবিধাসমূহ গ্ৰহণ কৰিবই লাগিব বুলি নাভাবে। বিভিন্ন কাৰণত এনে হ'ব পাৰে, যেনে- আস্থাৰ অভাৱ, যত্ন বা মনোযোগৰ অভাৱ, অধিক সময় খৰচ হোৱা, ঔষধ-পাতি নথকা বা কেতিয়াবা চিকিৎসক নথকা আদি। এইবোৰ হৈছে কাৰ্য পৰিচালনা নীতিৰ সৈতে জড়িত প্ৰয়োজনীয় বিষয়।

তদুপৰি, স্বাস্থ্য সম্পৰ্কীয় নীতি আৰু আঁচনিত জনস্বাস্থ্যৰ দিশৰ পৰা অতি গুৰুত্বপূৰ্ণ বিশেষকৈ উপান্ত সম্প্ৰদায়ৰ মহিলাসকলৰ বাবে ৰক্তহীনতা, নিৰাপদ গৰ্ভপাতৰ বাবে থকা সেৱা আৰু ভিতৰুৱা অঞ্চলসমূহলৈ জৰুৰী যাতায়াতৰ ব্যৱস্থা কৰা আদি ভালেমান বিষয় আওকাণ কৰা হৈছে।

**প্ৰধান দাবীসমূহ ঃ**

- গৰ্ভাৱস্থাৰ যতনৰ ক্ষেত্ৰত ৰক্তহীনতা আৰু গৰ্ভাৱস্থাৰ পাছৰ আৰু, চিজাৰিয়ানৰ পূৰ্বৰ আৰু আহুকালপূৰ্ণ প্ৰসৱৰ ক্ষেত্ৰত হোৱা ৰক্তহীনতাৰ দৰে অন্যান্য বিপদশংকুল দিশবোৰৰ নিৰীক্ষণ নিশ্চিত কৰা। প্ৰসৱৰ পাছৰ যতনৰ বাবে অঞ্চলভিত্তিত নিয়মীয়া সূচীৰ পৰিকল্পনা, তাৰ ৰাজহুৱা বিতৰণ আৰু ৰূপায়িত কৰাৰ ব্যৱস্থা কৰিব লাগে।
- প্ৰসৱৰ পাছৰ যতন আৰু প্ৰসৱৰ পাছত দেখা দিব পৰা জটিলতাৰ সময়ত কুশলতা আৰু কাৰ্যদক্ষতা প্ৰদৰ্শন কৰিব পৰাকৈ স্বাস্থ্যসেৱা প্ৰদানকাৰীসকলক প্ৰশিক্ষণ দিয়া উচিত।
- স্বাস্থ্যখণ্ডৰ বাদেও পৰিপুষ্টি, খাদ্য সুৰক্ষা, শিক্ষা, লিংগভিত্তিক বিষয় আদি বিষয় ৰক্তহীনতা নিয়ন্ত্ৰণে সামৰি ল'ব লাগে।
- জননী সুৰক্ষা যোজনাৰ অধীনত গৰ্ভৱতী মহিলাসকললৈ আগবঢ়োৱা সেৱাসমূহ নগদ ধনবিহীন হ'ব লাগে।
- ৰাজহুৱা খণ্ডত প্ৰাথমিক সেৱা পৰ্যায়ত সুৰক্ষিত গৰ্ভপাতৰ সেৱা প্ৰদান কৰিব লাগে।
- স্তনৰ কৰ্কটৰোগ আৰু হাড় ক্ষয় হোৱা ৰোগ (Osteoporosis) সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে এখন কেন্দ্ৰীভুত আঁচনি হাতত ল'ব লাগে আৰু ক্ষুদ্ৰ নগৰ আৰু গ্ৰাম্য জিলাসমূহত জনস্বাস্থ্য সম্পৰ্কীয় সেৱাসমূহৰ নিৰীক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ বাবে পুঁজিৰ যোগান ধৰিব লাগে।
- প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা (Pradhan Mantri Gram Sadak Yojana চমুকৈ PMGSY) ই প্ৰসূতিৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত এক যোগাত্মক প্ৰভাৱ পেলোৱাৰ কথা মূল্যয়নত প্ৰকাশ পাইছে। যিবোৰ জিলা / ব্লকত প্ৰসূতিৰ মৃত্যুৰ হাৰ বেছি তাত প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনা ৰূপায়নৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে গ্ৰামোন্নয়ন মন্ত্ৰালয়ৰ সৈতে যোগাযোগ কৰিব লাগে।

# মহিলা আৰু প্ৰতিষ্ঠান

অসমৰ বিভিন্ন সম্প্ৰদায়ৰ কল্যাণৰ জবাবদিহি হোৱাটো ৰাজ্য চৰকাৰৰে দায়িত্ব। এনে দায়িত্বৰ অভাৱৰ দিশটো ৰাজ্যৰ বাজেটৰ ব্যৱহাৰৰ সৈতে জড়িত আৰু ৰাজ্যখন বিকাশমুখী প্ৰচেষ্টা তথা মহিলা সমৰ্থিত আঁচনিসমূহৰ বাবে সম্পদ আৱন্টনৰ যথাৰ্থতাৰ প্ৰসংগত ইয়াৰ বিশ্লেষণৰ প্ৰয়োজন আছে। সেয়ে মহিলা সম্পৰ্কীয় আঁচনি আৰু এখন লিংগ সংবেদনশীল বাজেট আবন্টন কৰাৰ ক্ষেত্ৰত ৰাজনৈতিক দলসমূহ সতৰ্ক হ'বই লাগিব। এই ক্ষেত্ৰত আমাৰ দেশৰ মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়েও উৎসাহ যোগাই আহিছে।

(মহিলা আৰু শিশু কল্যাণ মন্ত্ৰালয়ৰ বেৱচাইট http//wcd.nic.in)

**প্ৰধান দাবীসমূহ ঃ**

- বছৰৰ অন্ত পৰাৰ পূৰ্বে সকলো কেন্দ্ৰীয় মন্ত্ৰালয় আৰু বিভাগক সামৰি ল'ব পৰাকৈ সুস্পষ্ট লক্ষ্যৰে সকলো পৰ্যায়িতে সৰ্বাত্মকভাৱে লিংগ ভিত্তিক বাজেট প্ৰস্তুত কৰা। খোৱাপানী আৰু অনাময়, নগৰ উন্নয়ন, পৰ্যটন আৰু ড'নাৰ মন্ত্ৰালয়ক লিংগভিত্তিক বাজেটৰ পৰিধিভুক্ত কৰাটো বিশেষভাৱে প্ৰয়োজনীয়।
- উত্তৰ-পূব পৰিষদে ইয়াৰ কাৰ্যক্ষমতা কেন্দ্ৰীভূত কৰিব লাগিব আৰু আঞ্চলিক বিকাশৰ বাবে প্ৰয়োজনীয় আঞ্চলিক পৰিকল্পনাৰ ক্ষেত্ৰত হেঙাৰ হৈ উঠাৰ আঁৰৰ মূল কাৰণসমূহ নিৰ্ণয় কৰিব লাগিব। আঞ্চলিক উন্নয়ন, ৰাজ্যসমূহৰ মাজত দক্ষতাৰ আদান-প্ৰদান, পথ প্ৰদৰ্শন আৰু কাৰ্যকৰী প্ৰচেষ্টাৰ বাবে সম্ভাব্য পুঁজি চিহ্নিত কৰিব লাগিব।
- সকলো বুনিয়াদী প্ৰকল্পৰ বাবে লিংগভিত্তিক পৰ্যবেক্ষণ আৰু হিচাপ পৰীক্ষণ বাধ্যতামূলক কৰা উচিত। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত হাতত লোৱা বৃহৎ পৰিমাণৰ পুঁজিৰ ব্যয় সাপেক্ষে আৰু মহিলাসকলৰ আৰ্থিক বিকাশ আৰু সবলীকৰণৰ দিশৰ কোনো উন্নতি সাধন হৈছেনে নাই তাৰ বিশ্লেষণ অবিহনেই হাতত লোৱা বৃহৎ প্ৰকল্পসমূহৰ ক্ষেত্ৰত এয়া বিশেষভাৱে প্ৰয়োজনীয়।
- জৱাহৰলাল নেহৰু নেচনেল আৰবান ৰিনিৱেল মিশ্বন (JnNURM) ৰ অধীনত সঠিক জল আৰু অনাময় ব্যৱস্থা, (ৰাজহুৱা অনাময় ব্যৱস্থাকে ধৰি), ৰাজহুৱা স্থান, সামূহিক স্থান, কামৰ বাবে আৱন্টিত চালিঘৰ, বজাৰ আদিত সঠিকভাৱে পোহৰৰ ব্যৱস্থা কৰা, সামৰ্থ্য অনুসৰি গৃহ আৰু অন্যান্য নিৰাপদ কাম-কাজৰ সুবিধা আদি মহিলাৰ বাবে প্ৰয়োজনীয় সা-সুবিধাৰ বাবে উপযুক্ত পৰিমাণৰ ধনৰ আবন্টন কৰক।
- অসম ৰাজ্যিক মহিলা আয়োগ আৰু অসম মানৱাধিকাৰ আয়োগক শক্তিশালী কৰাৰ লগতে কাম-কাজ চলাব পৰাকৈ ইয়াৰ শক্তি-সামৰ্থ্য বৃদ্ধি কৰক।
- মহিলাৰ বাবে হাতত লোৱা আঁচনিসমূহৰ ফলাফল নিৰীক্ষণৰ বাবে ধনৰ আৱন্টন কৰক। নিৰীক্ষণৰ বাবে গঠিত সমিতিত সামাজিক সংস্থা, আঁচনিসমূহে সামৰি লোৱা হিতাধিকাৰী, বিশেষজ্ঞ আৰু চৰকাৰী বিষয়াক অন্তৰ্ভুক্ত কৰক।
- তৃণমূল পৰ্যায়ৰ পৰা ৰাজ্যিক পৰ্যায়লৈকে সকলো ৰাজহুৱা সমিতিত মহিলাৰ সংৰক্ষণ নিশ্চিত কৰক।
- 'ইউ এন গাইডিং প্ৰিন্সিপলছ অন ইন্টাৰনেলি ডিছপ্লেছড পাৰ্ছন'(UN Guiding principles on Internally Displaced Persons) ত নিৰ্দিষ্ট কৰা আন্তঃৰাষ্ট্ৰীয় মানৱ সৈতে সংগতি ৰাখি পুনৰ্বাসৰ পৰিকল্পনা আৰু ৰূপায়ণৰ বাবে 'অসম ৰিলিফ মেনুৱেল' (Assam Relief Manual) ৰ সংশোধন কৰক।

# মহিলাৰ প্ৰতিনিধিত্ব আৰু অংশগ্ৰহণ

২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি, অসমৰ জনসংখ্যাৰ ৪৯ শতাংশই মহিলা। কিন্তু বিভিন্ন প্ৰশাসনীয় প্ৰতিষ্ঠানত তেওঁলোকৰ প্ৰতিনিধিত্ব কেতিয়াও সমানুপাতিক নহয়। অসমৰ ৰাজনৈতিক ক্ষেত্ৰত মহিলাৰ প্ৰতিনিধিত্ব অতি কম। ৰাজ্যখনৰ মুঠ ১৪জন সাংসদৰ মাত্ৰ দুগৰাকীহে মহিলা। ৰাজ্য বিধান সভাৰ ১২৪ জন বিধায়কৰ ভিতৰত মাত্ৰ ১৪ গৰাকীহে মহিলা। ভাৰতবৰ্ষত মহিলা সংৰক্ষণ বিধেয়কখনে আইনৰ ৰূপ ল'বলৈ এতিয়াও বাকী। ৰাজনৈতিক দলসমূহে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ পৰ্যপ্ত সংখ্যক মহিলা প্ৰাৰ্থী নথকাৰ কথা উল্লেখ কৰে যদিও পৰ্যপ্ত সংখ্যক ৰাজনৈতিকভাৱে সক্ষম মহিলা গঢ়ি তুলিবলৈ চেষ্টা নকৰাৰ দোষত এই দলসমূহো দোষী আৰু ই মহিলাৰ প্ৰতি থকা সহজাত বিদ্বেষ আৰু পুৰুষ প্ৰাৰ্থীক প্ৰাধান্য দিয়াৰ কথাটোকে প্ৰতিফলিত কৰে। ২০১১ চনৰ অসম বিধান সভাৰ নিৰ্বাচনত মাত্ৰ ৮ শতাংশ মহিলা প্ৰাৰ্থীয়েহে প্ৰতিদ্বন্দ্বিতা কৰিছিল। অসমত দুখন ষষ্ঠ অনুসূচীৰ অধীনৰ স্বায়ত্বশাসিত জিলা (কাৰ্বি আংলং আৰু ডিমা হাচাও) আৰু ৪ খন ষষ্ঠ অনুসূচীৰ অধীনৰ বিশেষ জিলা (চিৰাং, বাগচা, ওদালগুৰি আৰু কোকৰাঝাৰ) আছে । এই জিলাসমূহৰ প্ৰশাসন ব্যৱস্থাত মহিলাৰ প্ৰতিনিধিত্বৰ হাৰ অতি দুখলগা।

অইন ৰাজহুৱা সেৱাৰ ক্ষেত্ৰতো মহিলাৰ অংশগ্ৰহণৰ হাৰ সন্তোষজনক নহয়। পুলিচ বাহিনীত ১ শতাংশতকৈও কম সংখ্যক মহিলাহে নিযুক্ত হৈ আছে আৰু ই ৰাষ্ট্ৰীয় গড় ৬ শতাংশতকৈ বহুগুণে কম। অসমৰ তৃণমূল পৰ্যায়ৰ প্ৰশাসনিক গোটসমূহত থকা ৰাজহুৱা অনুষ্ঠানসমূহত মহিলাৰ হতাশজনক প্ৰতিনিধিত্বৰ বিষয়ে এটা বেচৰকাৰী সংগঠনে (নৰ্থ ইষ্ট নেটৱৰ্ক, ২০১৪) চলোৱা অধ্যয়নত প্ৰকাশ পাইছে। বিভিন্ন চৰকাৰী আঁচনিৰ আধীনত গঠিত সামাজিক হিচাপ পৰীক্ষণ সমিতি, সামাজিক ন্যায় সমিতি, গ্ৰাম্য স্বাস্থ্য, অনাময় আৰু পৰিপুষ্টি সমিতি, বিদ্যালয় পৰিচালনা সমিতি আদিত ইয়াৰ উদাহৰণ দেখা যায়।

**প্ৰধান দাবীসমূহ ঃ**

- মহিলা সংৰক্ষণ বিধেয়কৰ সৈতে সংগতি ৰাখি সকলোবোৰ ৰাজনৈতিক দলে বিধান সভা নিৰ্বাচনত ১ঃ৩ অনুপাত মহিলা প্ৰাৰ্থী থিয় কৰাব লাগিব।
- স্বায়ত্বশাসিত পৰিষদসমূহত মহিলাৰ বাবে ৫০ শতাংশ আসন বাধ্যতামূলকভাৱে সংৰক্ষণৰ ব্যৱস্থা কৰি সংবিধানৰ প্ৰয়োজনীয় সংশোধন ঘটাব লাগে।
- পঞ্চায়তসমূহত মহিলাৰ বাবে ৫০ শতাংশ আসন সংৰক্ষিত হৈ আছে যদিও ৰাজনৈতিক দলসমূহে এই আইন কাৰ্যকৰী নোহোৱাৰ অজুহাততে কোনো কোনো সমষ্টিত মহিলা প্ৰাৰ্থী প্ৰক্ষেপ কৰিবলৈ অস্বীকাৰ কৰে। ৰাজনৈতিক দলসমূহে মহিলাৰ বাবে থকা সংৰক্ষণৰ এই ব্যৱস্থা মানি চলিব লাগে।
- অত্যাৱশ্যকীয় সেৱাসমূহৰ বাবে আৱন্টিত পুঁজি আৰু সা-সুবিধাৰ নিৰীক্ষণৰ বাবে তৃণমূল পৰ্যায়ৰ নেত্ৰীসকলক প্ৰতিক্ষণ দিয়াটো আৱশ্যক।
- অসমৰ পুলিচ বিভাগত মহিলাৰ অংশগ্ৰহণ নিচেই কম হোৱালৈ লক্ষ্য ৰাখি মহিলাৰ বাবে বিশেষ নিযুক্তি প্ৰক্ৰিয়া অনুষ্ঠিত কৰিব লাগে। পুলিচ বিভাগত, শতাংশ মহিলাৰ নিযুক্তি বাধ্যতামূলক কৰিব লাগে।
- স্থানীয় প্ৰশাসনীয় ব্যৱস্থা আৰু ৰাজহুৱা সমিতিসমূহত মহিলাৰ বাবে যথোপযুক্ত সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে।
- আভ্যন্তৰীণভাৱে বিতাড়িত মহিলাসকলক (Internally displaced women) তেওঁলোকৰ শান্তি আৰু পুনৰ্সংস্থাপন অৰ্থে চৰকাৰে হাতত লোৱা কল্যাণকেন্দ্ৰিক বিভিন্ন পৰিকল্পনা, আৰ্হি নিৰ্মাণ আৰু সাহায্য প্ৰদান আঁচনিৰ নিৰীক্ষণ ব্যৱস্থাৰ সৈতে জড়িত কৰিব লাগে ।

# মহিলা আৰু সুৰক্ষা

মহিলাৰ নিৰাপত্তা নিশ্চিত কৰাৰ বাবে আমাৰ দেশত চৰকাৰে ভালেমান আইন প্ৰৱৰ্তন কৰিছে। কিন্তু মহিলাসকলে এতিয়াও ঘৰত, কৰ্মক্ষেত্ৰত আৰু ৰাজহুৱা স্থানত নিৰ্যাতনৰ সন্মুখীন হৈ আহিছে। নেচনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰোৰ তথ্য অনুসৰি অসমত মহিলাৰ ওপৰত ২০১২ চনত ১৩৫৪৪ টা আৰু ২০১৪ চনত ১৭৪৪৯ টা অপৰাধ সংঘটিত হৈছে। ২০০৫-০৬ চনৰ ভাৰতৰ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য জৰীপ (National Family Health Survey) ত প্ৰকাশিত তথ্য অনুসৰি, বিবাহিতা মহিলাসকলৰ প্ৰায় ৩৭ শতাংশই দাম্পত্য, শাৰীৰিক বা যৌন নিৰ্যাতনৰ বলি হয়। এই জৰীপ অনুসৰি, অসমৰ সংঘটিত দাম্পত্য নিৰ্যাতনৰ হাৰ ৰাষ্ট্ৰীয় গড়ৰ তুলনাত অধিক।

গ্ৰামাঞ্চল আৰু নগৰাঞ্চল উভয়ৰে মহিলাসকলৰ বাবে তেওঁলোকৰ কৰ্মক্ষেত্ৰ নিৰাপদ নহয়। ইয়াৰ জ্বলন্ত উদাহৰণ হৈছে কৰ্মক্ষেত্ৰত মহিলাৰ ওপৰত হোৱা আতিশয্য, ডাইনী সন্দেহত মহিলাৰ ওপৰত চলোৱা নিৰ্যাতন, ধনৰ লোভত অসমৰ পৰা আন ৰাজ্যলৈ কৰা নাৰী সৰবৰাহ আদি। ইয়াৰ পৰা এই সকলোবোৰ আহুকাল আঁতৰোৱাৰ বাবে লিংগ সংবেদনশীল ব্যৱস্থাৰ অভাৱৰ কথাটোকে বুজা যায়। ৰাজনৈতিক দলসমূহে এই বৈষম্য আঁতৰোৱাৰ বাবে মহিলাসকলৰ সপক্ষে থকা আৰু মহিলাসকলক নিৰাপত্তাৰ নিশ্চিতি দিব পৰা আইন আৰু বিধি-ব্যৱস্থাসমূহৰ ৰূপায়ণৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব।

অসমৰ মহিলাসকল বাটে-ঘাটে আৰু ৰাজহুৱা স্থানত সুৰক্ষিত নহয়। নৰ্থ ইষ্ট নেটৱৰ্কে ২০১৪ চনত চলোৱা এক সমীক্ষা অনুসৰি, গুৱাহাটী মহানগৰীৰ ৭২.৫ শতাংশ মহিলা যৌন আতিশয্য অথবা যৌন নিৰ্যাতনৰ বলি হয়। জনসাধাৰণৰ ৰক্ষণশীল মনোভাৱ আৰু মহানগৰখনত অনুপযুক্ত আন্তৰ্গাথনিকে ইয়াৰ বাবে জগৰীয়া কৰিব পৰা যায়। নগৰ আৰু মহানগৰসমূহত বন্ধৰ সময়ত যুৱ প্ৰজন্মক ব্যস্ত ৰাখিব পৰাকৈ ক্ৰীড়া, পৰিবেশ্য কলা বা ডিজিটেল পুথিভঁৰাল নাই। ফলস্বৰূপে যুৱকসকলে মহিলাৰ ওপৰত আতিশয্য চলোৱাকে ধৰি বাটে-পথে নানা ধৰণৰ কুকাৰ্য সংঘটিত কৰে। শাসনকাৰ্য দীৰ্ঘকালৰ বাবে সুচল হোৱাৰ অৰ্থে সমাজত শান্তি বজাই ৰখাৰ বিষয়টো ৰাজনৈতিক দলসমূহে পুনৰ্বিবেচনা কৰিব লাগে।

**প্ৰধান দাবীসমূহ ঃ**

- পৰিৱেশ্য কলা আৰু আমোদ-প্ৰমোদৰ ব্যৱস্থাসহ স্থানীয়ভাৱে পৰিচালনা কৰিব পৰাকৈ সুনিৰ্দিষ্ট ব্যৱস্থাপনা থকা ক্ৰীড়া প্ৰকল্পৰ ক্ষুদ্ৰ গোট ওচৰা ওচৰিকৈ স্থাপন কৰক।
- ছ'চিয়েল মিডিয়া আৰু ডিজিটেল আঁচনিৰ জৰিয়তে যুৱ প্ৰজন্মক উৎসাহ যোগাওক।
- বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত সামাজিক আদান-প্ৰদানত উৎসাহ যোগাই আধুনিক চিন্তাধাৰা আৰু মানৱীয় প্ৰমূল্যবোৰৰ প্ৰতি আকৃষ্ট কৰিব পৰা ৰাজ্য আৰু দেশৰ স্বাৰ্থজড়িত আঁচনিসমূহৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষিত কৰক।
- সংকটাপন্ন মহিলাসকলৰ বাবে এক কাৰ্যকৰী হেল্পলাইনৰ ব্যৱস্থা কৰক।
- ২০০৫ চনৰ পাৰিবাৰিক নিৰ্যাতনৰ পৰা মহিলাৰ সুৰক্ষা আইনৰ অধীনত স্বতন্ত্ৰ পূৰ্ণকালিন বিষয়া নিয়োগ কৰক।
- কৰ্মক্ষেত্ৰত মহিলাৰ ওপৰত হোৱা যৌন আতিশয্য আইন, ২০১৩ ৰ অধীনত আভ্যন্তৰীণ আৰু স্থানীয় অভিযোগ সমিতি গঠন কৰক।
- ২০১৫ চনৰ অসম ডাইনী হত্যা (নিষিদ্ধকৰণ, বাধাপ্ৰদান আৰু সুৰক্ষা) বিধেয়কখনৰ (আছাম উইট্‌ছ হান্টিং বিল) অধিনিয়ম অনতিপলমে নিৰ্দ্ধাৰণ কৰক।
- মহিলাসকলৰ সময় নিৰ্দ্ধাৰিত সাহায্য সেৱাৰ বাবে পৰ্যাপ্ত পুঁজি আৱন্টন কৰক।
- ভুক্তভোগী মহিলাৰ বাবে সাহায্য সেৱা সমূহ বিভিন্ন ৰাজ্যিক পুঁজি আৱণ্টিত আচনিৰদ্বাৰা সহজে উপলব্ধ কৰিব লাগে।
- সশস্ত্ৰ বাহিনীৰ লোকৰ দ্বাৰা মানৱ অধিকাৰ ভংগৰ বিষয়টো উপস্থাপন কৰক আৰু সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰৰ সপক্ষে মাত মাতক।